**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::::**

১। ভাৰত বিশ্বাসযোগ্য অৰ্থব্যৱস্থা আৰু গোলকীয় যোগান শৃংখলাত  নিৰ্ভৰযোগ্য সহযোগী তথা অস্থিৰ বিশ্বত স্থিৰ সূত্ৰধাৰ হোৱাৰ সঠিক পথত অগ্ৰসৰ হৈছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত  শ্বাহে অহা বছৰ ৩১ মাৰ্চৰ ভিতৰত দেশক নক্সালবাদমুক্ত কৰাৰ সংকল্প কথা দোহাৰিছে।

৩। অসম মন্ত্ৰীসভাই হাতী-মানুহৰ সংঘাত, স্বাস্থ্য সেৱা নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলীৰ উন্নয়ন আৰু শিক্ষাৰ্থী তথা পৰম্পৰাগত শ্ৰমিকসকললৈ কল্যাণমূলক আঁচনিৰ সম্প্ৰসাৰণৰ উদ্দেশ্যে কালি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে।

৫। AXIOM-4 অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা ভাৰতীয় মহাকাশচাৰী গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লীৰ ওভটনি যাত্ৰা ১৪ জুলাইত আৰম্ভ হ'ব । *আৰু*

৫। লৰ্ডছ টেষ্টত আয়োজক দেশ ইংলেণ্ডে চাৰিটা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব।

ooooo

ভাৰত বিশ্বাসযোগ্য অৰ্থব্যৱস্থা আৰু গোলকীয় যোগান শৃংখলাত  নিৰ্ভৰযোগ্য সহযোগী তথা অস্থিৰ বিশ্বত স্থিৰ সূত্ৰধাৰ হোৱাৰ সঠিক পথত অগ্ৰসৰ হৈছে। নতুন দিল্লীত কালি চি আই আই-আই টি চি বহন ক্ষমতা বঁটা প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সম্প্ৰতি বিশ্ব বিশৃংখল আৰু অশান্ত পৰিস্থিতিৰ সন্মুখীন হৈছে আৰু গোলকীয় ব্যৱস্থাত শীঘ্ৰে উন্নতিৰ কোনো সংকেট দেখিবলৈ পোৱা হোৱা নাই। এই অশান্ত পৰিস্থিতিত ভাৰত অগ্ৰগনি কণ্ঠৰূপে পৰিগণিত হৈছে। দেশৰ বহনক্ষম বিকাশৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে মতপোষণ কৰি শ্ৰী ধনখড়ে কয়, যে দেশত বিশ্বৰ মুঠ জনসংখ্যাৰ ছভাগৰ এভাগ বাস কৰে আৰু বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ অৰ্থব্যৱস্থা-  ভাৰত উন্নয়নৰো হোতা। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নৱীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰ'জেন, বৃত্তাকাৰ অৰ্থব্যৱস্থাৰ আৰ্হি আৰু কাৰ্বন বজাৰসমূহত বিনিয়োগ কৰি সেউজ বিপ্লবত অগ্ৰনি ভূমিকা পালন কৰিবলৈ উদ্যোগ জগতৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে চৰকাৰ কেন্দ্ৰিক দৃষ্টিভংগীৰ পৰা সমগ্ৰ সমাজ পৰিকাঠামোৰ দিশে অগ্ৰসৰ হৈছে। এই ক্ষেত্ৰত উপ-ৰাষ্ট্ৰীয়, স্থানীয় চৰকাৰ, নাগৰিক সমাজ, ব্যক্তিগত খণ্ড আৰু বিভিন্ন সম্প্ৰদায়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি শ্ৰী ধনখড়ে মন্তব্য কৰে। তেওঁ

কয়, যে চৰকাৰে ভালেমান উদ্ভাৱনী পদক্ষেপ লৈছে যদিও ফলপ্ৰসূ পৰিৱৰ্তনৰ বাবে উদ্যোগজগত আগবাঢ়ি আহিব লাগিব। তেওঁ উদ্যোগজগতক ভৱিষ্যতৰ বাবে উপযোগী পাঠ্যক্ৰম যুগুতাই উলিওৱাৰ বাবে শিক্ষাবিদ, প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু চৰকাৰৰ সৈতে ঘনিষ্ঠভাৱে কাম কৰিবলৈ আৰু বিশ্বৰ বিভিন্ন প্ৰান্তলৈ ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰিবলৈ আহ্বান জনায়। আধুনিক প্ৰাসংগিতকতাৰ বাবে গুণগত মান, বিশ্বাস, উদ্ভাৱন আৰু প্ৰাচীন জ্ঞানৰ চাৰিটা স্তম্ভৰ আধাৰত ব্ৰেণ্ড ইণ্ডিয়া গঢ়ি তুলিবলৈও শ্ৰী ধনখড়ে আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত ৰাঁচীত কালি পূব মণ্ডলীয় পৰিষদৰ ২৭ সংখ্যক বৈঠক সম্পন্ন হয়। বৈঠকখনত শ্ৰী শ্বাহে অহা বছৰ ৩১ মাৰ্চৰ ভিতৰত দেশক নক্সালবাদমুক্ত কৰাৰ সংকল্প কথা দোহাৰে। তেওঁ লগতে নক্সালবাদৰ বিৰুদ্ধে লাভ কৰা অভূতপূৰ্ব সাফল্যৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে আটাইকেইখন ৰাজ্যৰ দেখুওৱা একতা আৰু সুৰক্ষা বাহিনীসমূহৰ সাহসিকতাৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। নতুন ফৌজদাৰী আইন তিনিখনৰ পূৰ্ণ ৰূপায়ণৰ দিশত দেশৰ পূব প্ৰান্তৰ ৰাজ্যসমূহে অধিক প্ৰচেষ্টা চলোৱাৰ আৱশ্যকতা আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে আঞ্চলিক পৰিষদসমূহ সম্প্ৰতি ব্যৱস্থা গ্ৰহণৰ মঞ্চত পৰিণত হৈছে। তেওঁ কয়, যে ২০০৪ৰ পৰা ২০১৪ চনৰ ভিতৰত আঞ্চলিক পৰিষদৰ ২৫ খন বৈঠক অনুষ্ঠিত হৈছিল কিন্তু ২০১৪ৰ পৰা ২০২৫ চনৰ ভিতৰত এনে বৈঠকৰ সংখ্য ৬৩ লৈ বৃদ্ধি পাইছে।

০০০০০

অসম মন্ত্ৰীসভাই হাতী-মানুহৰ সংঘাট, স্বাস্থ্য সেৱা নিয়ন্ত্ৰণৰ ব্যৱস্থাৱলীৰ উন্নয়ন আৰু শিক্ষাৰ্থী তথা পৰম্পৰাগত শ্ৰমিকসকললৈ কল্যাণমূলক আঁচনিৰ সম্প্ৰসাৰণৰ উদ্দেশ্যে কালি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। এই অনুসৰি হাতী-মানুহৰ সংঘাট হোৱা আঠখন জিলা ক্ৰমে গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা, শোণিতপুৰ, গোলাঘাট, যোৰহাট আৰু বিশ্বনাথত গজমিত্ৰ আঁচনি ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই আঁচনিৰ অধীনত প্ৰভাৱিত গাঁওসমূহত সম্প্ৰদায় ভিত্তিত স্বেচ্ছাসেৱী নিৰীক্ষণ আৰু দ্ৰুত সঁহাৰি দল গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। মন্ত্ৰীসভাই পহিলা অক্টোবৰৰ পৰা প্ৰযোজ্য হোৱাকৈ গাঁও প্ৰধানসকলৰ দৰমহা বৰ্তমানৰ ৯ হাজাৰ টকাৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। বনাঞ্চলৰ গাঁওসমূহৰ গাঁও প্ৰধানসকলেও এই বৰ্ধিত দৰমহা লাভ কৰিব। ২০২৫-২৬ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুযায়ী এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই ৰাজ্যৰ বিভিন্ন সত্ৰত বাস কৰা যোগ্য উদাসীন ভকতসকলক মাহিলী বৃত্তি হিচাপে পোন্ধৰশ টকাৰ বিত্তীয় সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ পাৰিতোষিক ক্ৰমে আঠ হাজাৰ আৰু চাৰি হাজাৰ টাকৈল বৃদ্ধিত অনুমোদন দিয়া হৈছে। মন্ত্ৰীসভাই পহিলা নৱেম্বৰৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলক প্ৰতি মাহে ৩০০ টাকৈ প্ৰদানৰ উদ্দেশ্যে প্ৰেৰণা আঁচনি ৰূপায়ণতো অনুমোদন জনাইছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদেশ ভ্ৰমণ সম্পৰ্কে পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কৰা মন্তব্যক তীব্ৰ সমালোচনা কৰিছে আৰু এই মন্তব্যক দায়িত্বহীন আৰু দুৰ্ভাগ্যজনক আখ্যা দিছে। বৈদেশিক

পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কালি ভগৱন্ত মানৰ নাম নোলোৱাকৈ কয়, যে গ্লোবেল ছাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক দিশৰ পৰা পিছপৰা মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্বন্ধ সন্দৰ্ভত ৰাজ্যিক কৰ্তৃপক্ষৰ উচ্চ স্তৰৰ ব্যক্তিয়ে মন্তব্য কৰা পৰিলক্ষিত হৈছে। তেওঁ কয়, যে এনে মন্তব্য দায়িত্বহীন, দুৰ্ভাগ্যজনক আৰু উচ্চস্তৰৰ ব্যক্তিৰ বাবে অশোভনীয়। এই মন্তব্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী জয়ছোৱালে কয়, যে কেন্দ্ৰীয় চৰকাৰে মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে সম্বন্ধ দুৰ্বল কৰিব পৰা এনেধৰণৰ অনুচিত মন্তব্যৰ পৰা নিজকে আঁতৰাই আনিছে।

প্ৰধানমন্ত্ৰী মোদীৰ কম জনসংখ্যাৰ দেশ ভ্ৰমণক লৈ পাঞ্জাবৰ মুখ্যমন্ত্ৰী মানে কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া হিচাপে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এইদৰে প্ৰকাশ কৰিছে।

ooooo

AXIOM-4 অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা ভাৰতীয় মহাকাশচাৰীৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লা আৰু অন্য তিনিগৰাকী মহাকাশচাৰীৰ ওভটনি যাত্ৰা ১৪ জুলাইত আৰম্ভ হ'ব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ সংস্থা নাছাই ঘোষণা কৰিছে। নাছাৰ বাণিজ্যিক কৰ্মীদল কাৰ্যসূচীৰ প্ৰবন্ধক ষ্টিভ ষ্টিট্চে এখন সংবাদমেলত এই কথা সদৰি কৰে। অভিযানৰ ওভটনি যাত্ৰা আৰম্ভ হোৱাৰ কেইবাঘণ্টা পাছত মহাকাশচাৰীকেইজন প্ৰশান্ত মহাসাগৰৰ কেলিফ'ৰ্নিয়া উপকূলৰ সমীপত অৱতৰণ কৰিব। গ্ৰুপ কেপ্তেই শুক্লা সম্প্ৰতি ১৪ দিনীয়া অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আছে।

ooooo

বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিহাৰত ভোটাৰ তালিকাৰ উন্নীতকৰণ প্ৰক্ৰিয়া অব্যাহত আছে। চূড়ান্ত সময়সীমালৈ দুসপ্তাহতকৈও অধিক সময় বাকী থকা অৱস্থাত ৰাজ্যখনৰ ৬৬শতাংশ ভোটাৰে বৰ্তমানলৈ প-পত্ৰ জমা দিছে। যোৱা ২৪ জুনত আৰম্ভ হোৱা এই সংশোধনী প্ৰক্ৰিয়াৰ অধীনত কালি সন্ধিয়া পৰ্যন্ত ৫কোটি ২২লাখ প-পত্ৰ সংগ্ৰহ কৰা হৈছে। ভাৰতীয় নিৰ্বাচন আয়োগে বৃদ্ধ, বিশেষভাৱে সক্ষম আৰু ৰোগীসকলৰ সুবিধাৰ্থে ২০হাজাৰৰো অধিক বুথ পৰ্যায়ৰ বিষয়া আৰু চাৰি লাখতকৈ অধিক স্বেচ্ছাসেৱকক নিয়োগ কৰিছে। ইয়াৰ উপৰিও ১লাখ ৫৬হাজাৰ সৰ্বদলীয় বুথ পৰ্যায়ৰ এজেন্টে জনসাধাৰণক বিভিন্ন ধৰণে সহায় কৰিছে। বৰ্তমানৰ গতি অব্যাহত থাকিলে ২৫ জুলাইৰ সময়সীমাৰ পূৰ্বে ভোটাৰ তালিকা উন্নীতকৰণৰ বাবে প পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি নিৰ্বাচন আয়োগে আশা প্ৰকাশ কৰিছে।

ooooo

এণ্ডাৰ্ছন-টেণ্ডুলকাৰ ট্ৰফীৰ বাবে হোৱা টেষ্ট ক্ৰিকেট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন খেলত আয়োজক দেশ ইংলেণ্ডে চাৰিটা উইকেটৰ বিনিময়ত প্ৰথম ইনিংছত কালি সংগ্ৰহ কৰা ২৫১ ৰানৰ পৰা আজি দ্বিতীয় দিনাৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত খেল আৰম্ভ হ'ব।

টছত জিলি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত ভাৰতৰ নীতিশ কুমাৰ ৰেড্ডীয়ে প্ৰথমতে দুটা উইকেট দখল কৰি ঘৰুৱা দলটোক শ'লথেকত পেলায়। নীতিশ কুমাৰে একেটা অভাৰতে অ'পেনাৰ বেন ডাকেট আৰু জেক ক্ৰ'লিক আউট কৰে। ইয়াৰ পাছত জ' ৰুট আৰু অ'লি প'পে ১০৯ ৰান সংগ্ৰহ কৰি দলক শক্তিশালী স্থিতিত উপনীত কৰায়। পাছত ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজা আৰু যশপ্ৰীত বুমৰাই এটাকৈ উইকেট দখল কৰে।

পাঁচখনীয়া শৃংখলাটো সম্প্ৰতি ১-১ ফলাফলত ড্ৰ হৈ আছে। ইংলেণ্ডে হেডিংলিত অনুষ্ঠিত প্ৰথমখন খেলত পাঁচ উইকেটত জয়লাভ কৰিছে আৰু ভাৰতে এজবেষ্টনত অনুষ্ঠিত দ্বিতীয়খন খেলত ৩৩৬ ৰান বিজয় সাব্যস্ত কৰে। পিঠি আৰু কিলাকুটিৰ আঘাটৰ বাবে চাৰি বছৰৰ বিৰতিৰ অন্তত ইংলেণ্ডৰ বেগীবলাৰ জ'ফ্ৰা আৰ্চাৰে এই খেলখনৰ জৰিয়তে টেষ্ট ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তন কৰিছে। ভাৰতৰ ১১ জনীয়া দলত প্ৰসিদ্ধ কৃষ্ণৰ ঠাইত যশপ্ৰীত বুমৰাক অন্তৰ্ভুক্ত কৰা হৈছে।

ooooo

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি বিয়লি লণ্ডনত হ'বলগীয়া পুৰুষৰ ছিংগলছৰ চেমিফাইনেলত ষষ্ঠ বাচনিপ্ৰাপ্ত তথা সাতবাৰৰ চেম্পিয়ন ন'ভাক জ'ক'ভিচ শীৰ্ষ বাচনিপ্ৰাপ্ত ইটালীৰ জেনিক ছিনাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আজি নিশা হ'বলগীয়া আনখন চেমিফাইনেলত দ্বিতীয় বাছনিপ্ৰাপ্ত স্পেইনৰ কাৰ্লোছ অল্কাৰাজ, পঞ্চম বাচনিপ্ৰাপ্ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেইলৰ ফ্ৰিট্ছৰ মুখামুখি হ'ব। ইপিনে মহিলাৰ ছিংগলছৰ ফাইনেলত কাইলৈ পাঁচটাকৈ গ্ৰেণ্ড শ্লেম প্ৰতিযোগিতাৰ খিতাপ বিজয়ী ইগা স্বিয়াটেক, ত্ৰয়োদশ বাচনিপ্ৰাপ্ত অমাণ্ডা অনিছিমোভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পোলেণ্ডৰ  স্বিয়াটেকে কালি  মহিলাৰ ছিংগলছৰ চেমিফাইনেলত ছুইজাৰলেণ্ডৰ বেলিণ্ডা বেনছিক ৬-২, ৬-০ পোনপটীয়া ছেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অনিছিমোভাই বিশ্বৰ একনম্বৰ স্থানৰ খেলুৱৈ বেলাৰুছৰ এৰিনা ছাবালেংকাক ৬-৪, ৪-৬, ৬-৪ ছেটত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

সমাপ্ত